# ৰাহুল গান্ধীৰ নীতি শুদ্ধ - তথ্য ভুল

**দিনাংক - ১৫ জানুৱাৰী ২০১৪**

**অৰুণ জেটলী**

**ৰাজ্য সভাৰ বিৰোধী দ'লৰ নেতা**

ৰাহুল গান্ধী এইবাৰ সত্য । ৰাজনৈতিক দ'ল এটাৰ নিজৰ গাঠঁনি, নিজস্ব মত আৰু দ'লৰ মাজত গণতান্ত্রিক ব্যৱস্থা থাকিব লাগে । এজন ব্যক্তিৰ ইচ্ছাত এটা দ'ল আগবাঢ়িব নোৱাৰে । ভাৰতৰ বিভিন্ন ৰাজনৈতিক দ'লে কি দ্বৰে ব্যক্তি বিশিষ্ট আৰু গাঠঁনিবিহীন হৈ গৈ আছে ইয়াৰ আমি বিশ্লেষণ কৰিব লাগে ।

ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰু এগৰাকী প্ৰতিভাসম্পন ব্যক্তি আছিল । ১৯৫০ চনত কংগ্ৰেছ দ'ল তেওঁক লৈহে চিহ্নিত হোৱাৰ আৰম্ভণি হৈছিল । ইয়াৰ ফলত তেওঁৰ লগত মত নিমিলা বহুতো ৰাজনৈতিক নেতা আতঁৰিব'লৈ ল'লে । ১৯৫০ চনৰ শেষৰ ফালে তেওঁ যেতিয়া মিছেছ ইন্দিৰা গান্ধীক এ আই চি চি ৰ সভাপতি পদ প্ৰদান কৰিলে তেতিয়াৰ পৰাই কংগ্ৰেছ দ'লৰ বংশবাদ শোষণৰ আৰম্ভণি হ'বলৈ ল'লে । বহুতো জেষ্ঠ নেতাক বাদ দিয়া হৈছিল যাতে প্ৰধানমন্ত্ৰীয়ে নিজৰ জীয়েকক দ'লৰ সভাপতি হিচাপে নিয়োগ কৰিব পাৰে ।

ৰাজনীতিক মিছেছ ইন্দিৰা গান্ধীৰ ব্যক্তিত্বৰ দখলত দেখা গৈছিল । যাৰ ফলস্বৰূপে ১৯৬৯ চনত কংগ্ৰেছ দ'ল দুভাগ হৈছিল । ১৯৭৩ চনত তেওঁ ভাৰতৰ ন্যায় ব্যৱস্থা অমান্য কৰাৰ চেষ্টা, ভবিষ্যতে কংগ্ৰেছ দ'লৰ আদৰ্শৰ এটি অংগ হিচাপে পৰিলক্ষিত হ'ল । ১৯৭৫ চনত যেতিয়া জৰুৰীকালীন অৱস্থা আৰূপ কৰা হৈছিল, প্ৰভূত্বব্যঞ্জন কংগ্ৰেছ দ'লৰ আদৰ্শৰ এটি অংশ হৈ পৰিল । অনুষ্ঠানসমূহেও শোষণ মনি লোৱাৰ দ্বৰে হৈছিল যেনে বিৰোধী পক্ষ, সাংসদ, সংবাদ মাধ্যম আৰু ন্যায়পালিকাকো নিজৰ ঠাই দেখুৱাই দিয়া হৈছিল । এ আই চি চিৰ সভাপতিৰ দ্বাৰা নিৰ্দেশিত ' ভাৰত মানেই ইন্দিৰা আৰু ইন্দিৰা মানেই ভাৰত ', পাৰ্টিৰ শ্ল'গান হৈ পৰিছিল । তেওঁ জৰুৰীকালীন অৱস্থাত অৰ্থনৈতিক আচনঁনিসমূহৰ জড়িয়তে যি অৰ্থনীতিক আগবঢ়াইছিল সেইয়াই পাছলৈ কংগ্ৰেছ পাৰ্টিৰ আদৰ্শ হৈ পৰিছিল ।

১৯৮৪ চনত অপাৰেচন ব্লু-ষ্টাৰৰ জড়িয়তে এন্টি-শিখ মনোভৱ এটিৰ জাগ্ৰত হৈছিল । এটি জাতিৰ গণহত্যাৰ যুক্তিযুক্ততা দ'লৰ অনুষ্ঠানসমূহৰ এটি অংশ হৈ পৰিছিল । ৰাজীৱ গান্ধীয়ে

এই সকলোবোৰ অতীতত এৰি অহাৰ এক প্ৰভাৱ দৰ্শাব'লৈ সক্ষম হৈছিল । যি কি নহওঁক ১৯৮৭ চনলৈকে সকলোবোৰ কেলেংকাৰী শেষ কৰাতো দ'লৰ সংকল্প হৈ পৰিছিল । যেতিয়া ভি পি সিঙৰ পুত্ৰক মিছা এছ টি কিটিছৰ গুচৰত অপৰাধমূলক কাৰ্য্যত জড়িত থকাৰ অভিযোগ দিয়াৰ চেষ্টা কৰা হৈছিল য'ত জেষ্ঠ নেতৃত্বও জড়িত আছিল তেতিয়া গোটেই পাৰ্টিয়েই বিষয়টো সাজি কোৱাৰ বাবে থিয় হৈছিল । দ'লৰ ব্যক্তিকেন্দ্ৰিক ৰাজনীতিৰ ইয়াতকৈ আৰু কি ভাল উদাহৰণ হ'ব পাৰে ?

যেতিয়া মিছেছ চোনীয়া গান্ধী নিজস্ব অধিকাৰত ৰাজনীতিত খোজ পেলাইছিল, দ'লে এটি নীতি মানি লৈছিল যে এজন ব্যক্তি যি আচলতে বিদেশৰ তেওঁ ভাৰতৰ প্ৰধানমন্ত্ৰী হ'ব পাৰে । তেওঁ এই পদ গ্ৰহণ নকৰাৰ সিদ্ধান্ত নিজে লৈছিল । দ'লে এতিয়াও বিদেশী মূলৰ বাবে পদ ভাৰ এৰাৰ গুণ-গান কৰি থাকে । শ্ৰীযুত ৰাহুল গান্ধীয়ে কেন্দ্ৰীয় কেবিনেটৰ এনে বিষয় সমূহক 'নন-চেন্স' মতামত দি কৈছে যে এগৰাকী ব্যক্তি দ'লতকৈ বহুত উচ্চ । বি জে পি আৰু লেফ্‌টৰ দ্বাৰে সংগঠিত দ'ল এটাত, শ্ৰীযুত ৰাহুল গান্ধীয়ে দ'লৰ গাঠঁনি আৰু লেজিচলেটিভ ব'ডিৰ পৰা প্ৰথম কাম পাবলৈ, এতিয়াও সংঘৰ্ষ কৰিব লাগিলেহেতেঁন । কিন্তু কেৱল ব্যক্তি আৰু বংশৰ দখলত থকা কংগ্ৰেছ দ'লেহে তেওঁক প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ বাবে মনোনীত কৰিব পাৰে ।

ব্যক্তিকেন্দ্ৰিকতাৰ বাহিৰত কংগ্ৰেছ দ'লৰ দুজন প্ৰধানমন্ত্ৰী অছিল। লাল বাহাদুৰ শাস্ত্ৰী প্ৰধানমন্ত্ৰী পদত বিস্তৃত সময়ৰলৈকে আছিল । তেওঁৰ সৰলতা আৰু উচ্চ পাৰদৰ্শিতাই সমগ্ৰ দেশকে প্ৰেৰণা দিছিল । তেওঁৰ এই ব্যক্তিত্ব কংগ্ৰেছৰ পৰা অহা নহয় । কিছু ক্ষেত্ৰত অসফল হোৱাৰ পাছতো পি ভি নৰসিংহ ৰাও এ ভাৰতৰ অৰ্থনীতি, বৈদেশিক নীতি উন্নত কৰোৱাৰ ক্ষেত্ৰত ইতিহাসৰ পাতত অন্তৰ্ভূক্ত হোৱাত সক্ষম হৈছিল । তেওঁক কংগ্ৰেছ দ'লৰ ইচ্ছামতে চলা কেতিয়াও দেখা নগ'ল ।

বি জে পি ৰ দুগৰাকী জনপ্ৰিয় নেতা শ্ৰীযুত অটল বিহাৰী বাজপেয়ী আৰু নৰেন্দ্ৰ মোডীৰ ব্যক্তিত্বই বি জে পি ক ব্যক্তিকেন্দ্ৰিক কৰিব নোৱাৰে । এনে নেতৃত্বই দ'লৰ গাঠঁনি হিচাপে কাম কৰি আছে আৰু কৰি থাকিব । ব্যক্তিকেন্দ্ৰিক দ'লৰ বিৰুদ্ধে ৰাহুল গান্ধীৰ নীতি যদিও শুদ্ধ তেওঁ ভিত্তি কৰা তথ্যসমূহ ভুল ।